DAILY ASSAM



## তৃতীয় অধ্যায়

# নিৰ্বাচন আৰু প্ৰতিনিধিত্ব

# (ELECTION AND REPRESENTATION)

**পৰিচয়**

*তোমালোকে দবা খেল খেলিব জানানে? কি হ'ব বাৰু যদিহে ইয়াৰ ক'লা ঘোঁৰাটোৱে আঢ়ৈ বৰ্গ ক্ষেত্ৰাকাৰে যাবলৈ এৰি হঠাতে পোনে পোনে যাবলৈ লয়? অথবা ক্ৰিকেট খেল এখনত যদি আম্পায়ৰে (Umpire) নাথাকে? প্ৰত্যেক খেলতে আমি কিছুমান নিয়ম মানি চলিব লাগে, এইবোৰ সলনি কৰিলে এখন সম্পূৰ্ণ বেলেগ ছবি দেখিবলৈ পোৱা যাব। সেইদৰে এখন খেলৰ পৰিচালকজন নিৰপেক্ষ হোৱা উচিত যাতে সকলো খেলুৱৈয়ে তেওঁৰ সিদ্ধান্ত মানি লয়। খেলখন আৰম্ভ হোৱাৰ আগতেই খেলৰ নিয়মাৱলী আৰু পৰিচালকজন নিৰ্ধাৰিত হ'ব লাগিব। ঠিক সেই একে কথাকে নিৰ্বাচনৰ ক্ষেত্ৰটো খাটে। নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰতো বেলেগ বেলেগ নিয়ম অথবা পদ্ধতি আছে। নিৰ্বাচনৰ ফলাফল আমি গ্ৰহণ কৰা নিয়মসমূহৰ ওপৰত নিৰ্ভৰ কৰিব। নিৰপেক্ষভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ এটা যন্ত্ৰ (Machinery) ৰ আৱশ্যক। যিহেতু নিৰ্বাচনী ৰাজনীতিৰ খেলখন আৰম্ভ হোৱাৰ আগেয়ে এই দুয়োটা কথা নিৰ্ধাৰণ হোৱাটো প্ৰয়োজন, এই দায়িত্ব কোনো চৰকাৰক দিব নোৱাৰি। সেইবাবে গণতান্ত্ৰিক দেশত নিৰ্বাচনী বিষয়সমূহ সংবিধানত লিপিবদ্ধ থাকে।*

*এই অধ্যায়টিত আমি নিৰ্বাচন আৰু প্ৰতিনিধিত্ব সম্পৰ্কীয় সাংবিধানিক ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰিম। আমি আমাৰ সংবিধানত থকা নিৰ্বাচন পদ্ধতি আৰু নিৰ্বাচন অনুষ্ঠিত কৰিবৰ বাবে থকা নিৰপেক্ষ নিৰ্বাচনী যন্ত্ৰ বিষয়ক সাংবিধানিক ব্যৱস্থাসমূহৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰিম। আমি এই বিষয়ক সংবিধান সংশোধন সম্পৰ্কীয় কিছুমান পৰামৰ্শও আলোচনা কৰিম। এই অধ্যায়টি অধ্যয়ণ কৰাৰ পাছত তোমালোকে নিম্নলিখিত বিষয়সমূহ জানিব পাৰিবা ঃ*

DAILY ASSAM



- *নিৰ্বাচনৰ বিভিন্ন পদ্ধতি,*
- *আমাৰ দেশত থকা নিৰ্বাচনী প্ৰক্ৰিয়াৰ বৈশিষ্ট্যসমূহ,*
- *মুক্ত আৰু নিকা নিৰ্বাচনী ব্যৱস্থাৰ গুৰুত্ব আৰু*
- *নিৰ্বাচনী সংস্কাৰৰ ওপৰত হোৱা বিতৰ্ক*

**নিৰ্বাচন আৰু গণতন্ত্ৰ** (Election and Democracy)

নিৰ্বাচন আৰু গণতন্ত্ৰৰ বিষয়ে আমি নিজকে দুটা সহজ প্ৰশ্ন কৰো আহা।

- নিৰ্বাচন অনুষ্ঠিত নকৰাকৈ গণতন্ত্ৰ হ'ব পাৰেনে?
- গণতন্ত্ৰ নাথাকিলে নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰিনে?

**ব্যঙ্গ চিত্ৰখন পঢ়া**




Shankar. Copyright: Children's Book Trust.

কোৱা হয় যে নিৰ্বাচন গণতান্ত্ৰিক উৎসৱ (Carnival) কিন্তু এই ব্যঙ্গ চিত্ৰখনে তাৰ সলনি বিশৃঙ্খলাহে দেখুৱাইছে। ই নিৰ্বাচনৰ ক্ষেত্ৰত সদায়ে সত্য নে? ই গণতন্ত্ৰৰ বাবে শুভ লক্ষণ হয় জানো?

আগৰ শ্ৰেণীসমূহত শিকা কথাবোৰৰ পৰা পোৱা উদাহৰণৰ সহায়ত আমি শ্ৰেণীত এই দুয়োটা প্ৰশ্নৰ ওপৰত আলোচনা কৰো আহা।

প্ৰথম প্ৰশ্নটোৱে আমাক ডাঙৰ গণতান্ত্ৰিক দেশ এখনত প্ৰতিনিধিত্বৰ প্ৰয়োজনীয়তালৈ মনত পেলাই দিয়ে। সকলো নাগৰিকে প্ৰতিটো সিদ্ধান্ত গ্ৰহণত প্ৰত্যক্ষভাৱে অংশ লোৱাটো অসম্ভৱ। সেইবাবে জনসাধাৰণৰ দ্বাৰা প্ৰতিনিধি নিৰ্বাচন কৰা হয়। এইদৰেই নিৰ্বাচন গুৰুত্বপূৰ্ণ হৈ পৰে। যেতিয়াই আমি ভাৰতীয় গণতন্ত্ৰৰ কথা ভাবোঁ, যোৱা নিৰ্বাচনসমূহৰ কথা অৱশ্যেই আমাৰ মনলৈ আহে। নিৰ্বাচনসমূহ বৰ্তমান গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ

DAILY ASSAM



সবাতোকৈ দৃশ্যমান স্পষ্ট (Visible) প্ৰতীক। প্ৰত্যক্ষ আৰু পৰোক্ষ গণতন্ত্ৰৰ মাজত আমি পাৰ্থক্য দেখিবলৈ পাওঁ। প্ৰত্যক্ষ গণতন্ত্ৰত নাগৰিকসকলে প্ৰতিদিনৰ সিদ্ধান্ত গ্ৰহণ আৰু চৰকাৰ পৰিচালনা কৰাত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। পুৰণি গ্ৰীক নগৰ ৰাষ্ট্ৰসমূহত প্ৰত্যক্ষ গণতন্ত্ৰ প্ৰচলিত আছিল। বহুতে স্থানীয় চৰকাৰবোৰক বিশেষকৈ গাওঁ সভাসমূহক প্ৰত্যক্ষ গণতন্ত্ৰৰ উৎকৃষ্ট উদাহৰণ বুলি ক'ব পাৰে। কিন্তু যেতিয়া কোটি কোটি মানুহে সিদ্ধান্ত ল'বলগীয়া হয়, তেতিয়া এনে ধৰণৰ প্ৰত্যক্ষ গণতন্ত্ৰ প্ৰয়োগ কৰিব নোৱাৰি। সেইবাবে জনগণৰ শাসন বুলিলে সাধাৰণতে জনসাধাৰণৰ প্ৰতিনিধি সকলৰ দ্বাৰা কৰা শাসনকে বুজায়।

এনে পৰিস্থিতিত নাগৰিকসকলে প্ৰতিনিধি নিৰ্বাচন কৰে আৰু তেওঁলোকে সক্ৰিয়ভাৱে দেশৰ চৰকাৰ পৰিচালনা কৰাত আৰু প্ৰশাসনত অংশগ্ৰহণ কৰে। এই প্ৰতিনিধিসকলক বাছনি কৰাৰ যি পদ্ধতি তাকেই নিৰ্বাচন বুলি কোৱা হয়। গতিকে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত আৰু প্ৰশাসন চলোৱাত নাগৰিকসকলৰ ভূমিকা সীমিত। নীতি নিৰ্ধাৰণত তেওঁলোক সক্ৰিয়ভাৱে জড়িত নহয়। নাগৰিকসকল তেওঁলোকৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ জৰিয়তে পৰোক্ষভাৱেহে জড়িত। এই ব্যৱস্থাত যিহেতু সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত নিৰ্বাচিত প্ৰতিনিধিসকলেহে লয় তেনে অৱস্থাত, জনসাধাৰণে কি পদ্ধতিৰে তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচন কৰে সেই কথা জনাটো অতি গুৰুত্বপূৰ্ণ হৈ পৰে।

দ্বিতীয় প্ৰশ্নটোৱে আমাক মনত পেলাই দিয়ে যে সকলো নিৰ্বাচন গণতান্ত্ৰিক নহয়। বহুতো অ-গণতান্ত্ৰিক দেশেও নিৰ্বাচন অনুষ্ঠিত কৰে। প্ৰকৃততে অ-গণতান্ত্ৰিক শাসকসকলে সদায় নিজকে গণতান্ত্ৰিক বুলি দেখুৱাব বিচাৰে। তেওঁলোকে এনেধৰণে নিৰ্বাচন অনুষ্ঠিত কৰে যাতে তাৰ দ্বাৰা তেওঁলোকৰ শাসনৰ প্ৰতি ভাবুকিৰ সৃষ্টি নহয়। এনে কিছুমান অ-গণতান্ত্ৰিক নিৰ্বাচনৰ উদাহৰণ তুমি ভাবিব পাৰিবানে? অ-গণতান্ত্ৰিক নিৰ্বাচনৰ পৰা গণতান্ত্ৰিক নিৰ্বাচনৰ পাৰ্থক্যৰ ক্ষেত্ৰত তুমি কি ভাবা? এখন দেশত গণতান্ত্ৰিক পদ্ধতিত কিদৰে নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰি?

এইখিনিতে সংবিধানৰ কথা আহে। গণতান্ত্ৰিক দেশ এখনৰ সংবিধানত নিৰ্বাচন সম্পৰ্কীয় কিছুমান মূল নীতি-নিয়ম থাকে। সাধাৰণতে আইন সভাত আইনৰ দ্বাৰা

DAILY ASSAM





*সংবধানত এইনিয়মবোৰ নো কিয় লিখি ৰাখিব লাগে? সংসদে এই বিষয়ে কিয় সিদ্ধান্ত লব নোৱাৰে? অথবা প্ৰতিটো নিৰ্বাচনৰ আগে আগে সকলো দল মিলিওতো তেনে কৰিব পাৰে!*

সবিশেষ থিৰাং কৰি লোৱা হয়। সাধাৰণতে এই মূল নীতিসমূহৰ বিষয় হ'ল ঃ

- ◈ কোনে ভোট দিব পাৰে?
- ◈ নিৰ্বাচনত কোনে কোনে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে?
- ◈ নিৰ্বাচন নীৰিক্ষণ (Supervise) কোনে কৰে?
- ◈ ভোটদাতাসকলে তেওঁলোকৰ প্ৰতিনিধি কেনেকৈ নিৰ্বাচন কৰে?
- ◈ ভোটসমূহ কিদৰে গণনা কৰা হয় আৰু প্ৰতিনিধিসকলক কেনেকৈ নিৰ্বাচন কৰা হয়?

বেছিভাগ গণতান্ত্ৰিক সংবিধানৰ দৰে, ভাৰতৰ সংবিধানতো এই সকলো প্ৰশ্নৰ উত্তৰ আছে। তোমালোকে দেখিছা যে প্ৰথম তিনিটা প্ৰশ্নই নিৰ্বাচন মুক্ত আৰু নিকা কৰাৰ বিষয়ে আৰু সেইবাবে গণতান্ত্ৰিক বুলি ক'ব বিচাৰিছে। শেষৰ দুটা প্ৰশ্ন নিকা প্ৰতিনিধিত্ব সুনিশ্চিত কৰাৰ বিষয়ে। এই অধ্যায়ত নিৰ্বাচন সম্পৰ্কীয় সাংবিধানিক ব্যৱস্থাসমূহৰ দুয়োটা দিশেই তোমালোকে দেখিবলৈ পাবা।



***কাৰ্য্যাৱলী***

**বাতৰি কাকতৰ পৰা ভাৰত আৰু অন্যান্য দেশত হোৱা নিৰ্বাচনৰ টুকুৰা বাতৰি (Clipping) সংগ্ৰহ কৰা। তলত দিয়া শাখা সমূহত সেইবোৰ বিভক্ত কৰা।**

(ক) প্ৰতিনিধিত্বৰ পদ্ধতি

(খ) ভোটদাতাৰ যোগ্যতা

(গ) নিৰ্বাচন আয়োগৰ ভূমিকা। ইণ্টাৰনেটৰ সহায়ত তুমি প্ৰকল্প (Project) টো Project Election Process Information Collection ৱেবচাইট (WWW.epicproject.org) ত চাই অন্ততঃ ৪ খন দেশৰ বিষয়ে ওপৰত উল্লেখ কৰা (Information) তথ্যসমূহ সংগ্ৰহ কৰিব পাৰিবা।

DAILY ASSAM



## ভাৰতৰ নিৰ্বাচন পদ্ধতি (Election System in India)

ওপৰত তুমি হয়তো নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন পদ্ধতি সম্পৰ্কত এটা সম্পৰ্ক লক্ষ্য কৰিছা। সেই বিষয়ে তুমি হয়তো চিন্তাও কৰিছা। তুমি হয়তো নিৰ্বাচনী প্ৰচাৰ বা নিৰ্বাচনী অভিযানৰ বিভিন্ন পদ্ধতি দেখিছা বা পঢ়িছা। কিন্তু নিৰ্বাচনৰ বিভিন্ন পদ্ধতি সমূহ কি কি? নিৰ্বাচন অনুষ্ঠিত কৰাৰ এটা নিৰ্দ্দিষ্ট পদ্ধতি থাকে। কি কৰিব লাগে আৰু কি কৰিব নালাগে সেই বিষয়ে কৰ্তৃপক্ষ আৰু আইন থাকে। নিৰ্বাচন মানে কেৱল সেয়ে নে? তুমি ছাগে ভাবি আচৰিত হৈছা যে ভোট গণনা আৰু প্ৰতিনিধি নিৰ্বাচিত কিদৰে কৰা হয় সেই বিষয়ে সংবিধানত থকাটো কিয় প্ৰয়োজন? সি খুবেই স্পষ্ট নহয়নে? জনসাধাৰণে ভোট দিয়ে। যিজন প্ৰাৰ্থীয়ে সবাতোকৈ বেছি ভোট পায় তেৱেঁই নিৰ্বাচিত হয়। সমগ্ৰ বিশ্বতে নিৰ্বাচনে তাকে সূচায়।

**তেন্তে আমি এই বিষয়ে কিয় চিন্তা কৰিব লাগে?**

ইয়াৰ প্ৰয়োজন আছে, কাৰণ দেখাত ই যিমান সহজ আচলতে ই তেনে নহয়। আমি আমাৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ লগত ইমান অভ্যস্ত হৈ পৰিছো যে তাতকৈ ই বেলেগ হ'ব পাৰে বুলি আমি ভাবিব নোৱাৰো। গণতান্ত্ৰিক নিৰ্বাচনত জনসাধাৰণে ভোট দিয়ে আৰু তেওলোকৰ পছন্দ মতে প্ৰাৰ্থী নিৰ্বাচিত হয়। কিন্তু জনসাধাৰণৰ পছন্দ আৰু আনতকৈ উপযুক্ত বুলি ভবা কথাটো নিৰ্ণয় কৰাৰ বেলেগ পদ্ধতিও হ'ব পাৰে। খেলৰ এই সুকীয়া

### *কাৰ্য্যাৱলী*

তোমাৰ শ্ৰেণীত ৪ জন শ্ৰেণী প্ৰতিনিধি নিৰ্বাচন কৰিবলৈ কৃত্ৰিম (mock) নিৰ্বাচন পাতা। নিৰ্বাচন তিনি ধৰণে অনুষ্ঠিত কৰিবা।

- প্ৰতিজন ছাত্ৰই এটাকৈ ভোট দিব পাৰিব। সৰ্বাধিক ভোট পাওঁতা চাৰিজন নিৰ্বাচিত হ'ব।
- প্ৰতিজন ছাত্ৰৰে চাৰিটাকৈ ভোট থাকিব আৰু তাৰ আটাইকেইটা এজন প্ৰাৰ্থীকে দিব পাৰে বা বেলেগ বেলেগ প্ৰাৰ্থীৰ মাজত ভাগ কৰি দিব পৰে। সৰ্বাধিক ভোট লাভ কৰোতা চাৰিজন নিৰ্বাচিত হ'ব।
- প্ৰতিজন ভোট দাতাই প্ৰাৰ্থী সকলক ক্ৰম অনুসৰি পছন্দৰ ভোট দিব পাৰে আৰু তলত বৰ্ণনা কৰা ৰাজ্য সভাৰ নিৰ্বাচনৰ আৰ্হিত ভোট গণনা হ'ব পাৰে। এই প্ৰতিটো পদ্ধতিতে নিৰ্বাচিত হোৱা প্ৰাৰ্থী ৪ জন একেইনে? যদি নহয়, তেন্তে পাৰ্থক্য কোনখিনিত? কিয়?

DAILY ASSAM



নিয়মসমূহে খেলৰ বিজেতা নিৰ্ণয়ত নিৰ্ণায়ক ভূমিকা লব পাৰে। কিছুমান আইনে ডাঙৰ দলসমূহক সহায় কৰিব পাৰে। কিছুমানে আকৌ সৰু খেলুৱৈ (দল) বোৰক সহায় কৰিব পাৰে। কিছুমান নিয়মে সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ক সহায় কৰিব পাৰে। কিছুমানে সংখ্যালঘুসকলক সুৰক্ষা দিব পাৰে। ই কেনেকৈ সম্ভৱ তাৰ এটা নাটকীয় উদাহৰণ আমি পৰীক্ষা কৰো আহা।

**'প্ৰথম জনেই বিজেতা পদ্ধতি'** (First Past the Post System)

বাতৰি কাকতৰ খবৰৰ টুকুৰা (Clipping) টোলৈ চোৱা


नवभारत टाइम्स

रविवारीय संस्करण

पहली बार कांग्रेस को तीन-चौथाई बहुमत

हेगड़े सरकार का इस्तीफा

ই ভাৰতীয় গণতন্ত্ৰৰ এটা ঐতিহাসিক মূহুৰ্ত্তৰ কথা কৈছে। ১৯৮৪ চনৰ লোক সভা নিৰ্বাচনত কংগ্ৰেছ দলে ৫৪৩ খন আসনৰ ভিতৰত ৪১৫ খন (যিটো ৮০ শতাংশতকৈও বেছি আছিল) আসন লাভ কৰিছিল। ইয়াৰ আগতে লোকসভাত কোনো দলেই এনে বিজয় লাভ কৰা নাছিল। এই নিৰ্বাচনে কি প্ৰতিফলিত কৰিছিল?



*৫০ শতাংশতকৈ কম ভোট আৰু ৮০ শতাংশতকৈ অধিক আসন! এইটো অনুচিত হোৱা নাইনে? আমাৰ সংবিধান প্ৰণেতাসকলে এনে এটা অন্যায় পদ্ধতি কিয় গ্ৰহণ কৰিলে?*

কংগ্ৰেছ দলে মুঠ আসনৰ এক পঞ্চমাংশ আসন লাভ কৰিছিল। ই এইটো বুজায় নেকি যে প্ৰতি ৫ জন ভাৰতীয় ভোটদাতাৰ ভিতৰত ৪ জনেই কংগ্ৰেছ দলৰ সপক্ষে ভোট দিছিল? প্ৰকৃততে সি নহয়। সন্নিবিষ্ট তালিকাখনত চকু ফুৰোৱা। কংগ্ৰেছ দলে ৪৮ শতাংশ ভোট লাভ কৰিছিল। ইয়াৰ অৰ্থ হ'ল ভোটদাতা সকলৰ ভিতৰত কেৱল ৪৮ শতাংশই কংগ্ৰেছ দলৰ প্ৰাৰ্থীক ভোট দিছিল, কিন্তু তথাপিও সেই

দলে লোকসভাৰ ৮০ শতাংশতকৈও অধিক আসন লাভ কৰিছিল। আন দলসমূহৰ প্ৰদৰ্শনলৈ চোৱা। বিজেপি দলে ৭·৪ শতাংশ ভোট লাভ কৰিছিল কিন্তু আসনৰ সংখ্যা ১ শতাংশতকৈও কম আছিল। সেইটো কেনেকৈ সম্ভৱ হ'ল?

১৯৮৪ চনৰ লোক সভা নিৰ্বাচনত কেইটামান প্ৰধান দলে লাভ কৰা

ভোট আৰু আসনৰ সংখ্যা

| দল | ভোটৰ শতকৰা হিচাব | আসনৰ সংখ্যা |
|---|---|---|
| কংগ্ৰেছ | ৪৮.০ | ৪১৫ |
| বিজেপি | ৭.৪ | ২ |
| জনতা | ৬.৭ | ১০ |
| লোক দল | ৫.৭ | ৩ |
| চি. পি. আই.(এম্) | ৫.৭ | ২২ |
| তেলেগু দেশম | ৪.১ | ৩০ |
| ডি. এম. কে. | ২.৩ | ২ |
| এ আই এ ডি এম কে | ১.৬ | ১২ |
| আকালি দল | ১.০ | ৭ |
| অসম গণ পৰিষদ | ১.০ | ৭ |

এয়া এই বাবেই সম্ভৱ হ'ল কাৰণ আমাৰ দেশত আমি এক বিশেষ ধৰণৰ নিৰ্বাচন পদ্ধতি অৱলম্বন কৰো। এই পদ্ধতি এনেকুৰা,

- সমগ্ৰ দেশখন ৫৪৩ টা সমষ্টিত ভাগ কৰি লোৱা হয়।
- প্ৰতিটো সমষ্টিৰে পৰা এজনকৈ প্ৰতিনিধি নিৰ্বাচন কৰা হয়, আৰু
- এটা সমষ্টিত সৰ্বাধিক ভোট লাভ কৰা জনক নিৰ্বাচিত বুলি ঘোষণা কৰা হয়।

এই কথা দ্ৰষ্টব্য যে এই পদ্ধতিত যিজন প্ৰাৰ্থীয়ে আন সকলতকৈ বেছি ভোট পায়, তেওঁকেই নিৰ্বাচিত বুলি ঘোষণা কৰা হয়। জয়লাভ কৰা প্ৰাৰ্থীজনে সংখ্যাগৰিষ্ঠ ভোট পাব লাগিব বুলি কোনো কথা নাই। এই পদ্ধতিটোক প্ৰথমজনেই বিজেতা (First Past the Post) (FPTP) পদ্ধতি বুলি কোৱা হয়। নিৰ্বাচনী দৌৰত যিজন প্ৰাৰ্থী আনতকৈ আগবাঢ়ি থাকে, যিজনে পোন প্ৰথমে জয়ৰ খুটা অতিক্ৰম কৰে তেৱেঁই জয়ী হয়। এই

DAILY ASSAM



পদ্ধতিটোক বহুত্ব প্ৰথা (Plurality System) বুলিও কোৱা হয়। সংবিধানত নিৰ্বাচনৰ এই পদ্ধতিটোক গ্ৰহণ কৰা হৈছে। এতিয়া আমি আমাৰ উদাহৰণটোলৈ উভতি যাওঁ আহা। The Cong party won greater share of seats than its share of votes because in many of the constituencies in which its candidates won, they secured less than 50% of the votes কংগ্ৰেছ দলে ইয়াৰ ভোটৰ অংশতকৈ বেছিসংখ্যক আসন লাভ কৰাৰ কাৰণ হ'ল, এই দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰা বহু সমষ্টিত তেওঁলোকে ৫০% শতাংশতকৈ কম ভোট পাইছিল।

যদি প্ৰাৰ্থী কেবাজনো থাকে জয়লাভ কৰা প্ৰাৰ্থীজনে প্ৰায়ে ৫০% শতাংশতকৈ যথেষ্ট কম ভোট পোৱা দেখা যায়। পৰাজয় বৰণ কৰা প্ৰাৰ্থী সকলে পোৱা ভোটবোৰ অপচয় (Waste) হয় কিয়নো দল বা প্ৰাৰ্থী সকলে সেই ভোটৰ দ্বাৰা কোনো আসন লাভ নকৰে। ধৰি লোৱা কোনো এটা দলে প্ৰত্যেক সমষ্টিতে মাত্ৰ ২৫ শতাংশ ভোটহে লাভ কৰিছে, কিন্তু আন সকলোৱে তাতোকৈ কম ভোট পাইছে। সেই ক্ষেত্ৰত দলটোৱে মাত্ৰ ২৫ শতাংশ বা তাতোকৈ কম ভোটেৰে সকলো আসন লাভ কৰিব।



এইটো বৰ বিভ্ৰান্তিকাৰক, এই পদ্ধতিত মোৰ এম. পি. বা এম. এল. এ. কোন মই কেনেকৈ জানিব পাৰিম? মোৰ কিবা কাম থাকিলে মই কাৰ ওচৰ চাপিম?

## আনুপাতিক প্ৰতিনিধিত্ব (Proportional Representation)

এতিয়া আমি ইয়াক ইজৰাইলৰ নিৰ্বাচনৰ লগত তুলনা কৰো, য'ত সম্পূৰ্ণ বেলেগ নিৰ্বাচনী পদ্ধতি অবলম্বন কৰা হয়। ইজৰাইলত এবাৰ ভোট গণনা হৈ যোৱাৰ পাছত, প্ৰতিটো দলক ই লাভ কৰা ভোটৰ সমানুপাতিক ভাবে সংসদত আসন দিয়া হয়। প্ৰতিটো দলে নিৰ্বাচনৰ আগতে ঘোষণা কৰা এখন পচণ্ড তালিকাৰ পৰা প্ৰয়োজনীয় সংখ্যক মনোনীত প্ৰাৰ্থীক বাছি লৈ ইয়াৰ ভাগৰ আসন পূৰ্ণ কৰে। এই ধৰণৰ নিৰ্বাচনক আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতি বোলে। এই পদ্ধতিত এটা দলে ইয়াৰ ভোটৰ সামানুপাতিকভাৱে আসন লাভ কৰে।

আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতিত দুটা তাৰতম্য থাকিব পাৰে। কিছুমান দেশত, যেনে— ইজৰাইল বা নেদাৰলেণ্ডত সমগ্ৰ দেশখনকে এটা সমষ্টি বুলি ধৰি জাতীয় নিৰ্বাচনত প্ৰতিটো দলে লাভ কৰা ভোটৰ অংশ অনুসৰি

DAILY ASSAM





আসন দিয়া হয়। অন্য পদ্ধতিটো হ'ল যেতিয়া এখন দেশ আৰ্জেণ্টিনা বা পৰ্তুগালৰ দৰে কেৰাটাও বহু সদস্যযুক্ত সমষ্টিত ভাগ কৰা হয়। প্ৰতিটো দলে নিৰ্বাচিত হ'বলগীয়া প্ৰাৰ্থীৰ সংখ্যা অনুযায়ী প্ৰতিটো সমষ্টিৰ বাবে এখন প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰে। দুয়োটা ক্ষেত্ৰতে ভোটদাতাসকলে দলকহে নিৰ্বাচন কৰে, প্ৰাৰ্থীক নহয়। এটা সমষ্টিত দুটা দলে লাভ কৰা ভোটৰ ওপৰত ভিত্তি কৰি সমষ্টিটোত আসন বিতৰণ কৰা হয়।

**ইজৰাইলৰ আনুপাতিক প্ৰতিনিধিত্ব (Proportional Representation in Israel)**

ইজৰাইলত আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতি অৱলম্বন কৰা হয়। তাৰ বিধানমণ্ডল (Knesset) ৰ প্ৰতি চাৰি বছৰৰ মূৰে মূৰে নিৰ্বাচন অনুষ্ঠিত হয়। প্ৰতিটো দলে ইয়াৰ প্ৰাৰ্থীসকলৰ এখন তালিকা ঘোষণা কৰে। কিন্তু ভোটদাতাসকলে দলৰ বাবেহে ভোট দিয়ে। প্ৰাৰ্থীৰ বাবে নহয়। প্ৰতিটো দলে ই লাভ কৰা ভোটৰ সমানুপাতিক ভাবে বিধানমণ্ডলত আসন লাভ কৰে। ইয়াৰ ফলত অতি কম সমৰ্থন থকা সৰু সৰু দলেও বিধানমণ্ডলত প্ৰতিনিধিত্ব পায়। (এটা দলে বিধান মণ্ডলত আসন পাবৰ বাবে কম পক্ষেও ১·৫ শতাংশ ভোট পাবই লাগিব) ই প্ৰায়ে বহু দলীয় সন্মিলিত চৰকাৰ সৃষ্টি কৰে।

তলৰ তালিকাখনে ২০০৩ চনৰ নেচেট Knesset ৰ নিৰ্বাচনৰ ফলাফল দেখুৱাইছে। ইয়াৰ ওপৰত ভিত্তি কৰি বিভিন্ন দলে সেই নিৰ্বাচনত কিমান শতাংশ ভোট পাইছিল জানিব পাৰিবা।

| দল | আসন | Share of Seats আসনৰ অংশ | Share of Votes ভোটৰ অংশ |
|---|---|---|---|
| লিকুড | ৩৭ | | |
| শাস | ১১ | | |
| নেশ্বনেল ইউনিয়ন | ৭ | | |
| নেশ্বনেল ৰিলিজিয়াচ পাৰ্টী | ৫ | | |
| ইউ. টি. জে | ৫ | | |
| ইজৰাইল বি. আলিয়া | ২ | | |
| লেবাৰ | ১৯ | | |
| শ্বিনুই | ১৫ | | |
| আৰব পাৰ্টীজ | ৯ | | |
| মেৰেট্জ | ৬ | | |
| আম এহদ | ৪ | | |
| মুঠ আসন | ১২০ | | |

DAILY ASSAM



গতিকে দেখা যায় যে এটা সমষ্টিৰ প্ৰতিনিধিসকল বেলেগ বেলেগ দলৰ সদস্য। ভাৰতত পৰোক্ষ নিৰ্বাচনৰ বাবে সীমিতভাৱে PR আনুপাতিক প্ৰতিনিধিত্ব (P59) পদ্ধতি গ্ৰহণ কৰা হৈছে। সংবিধানে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, ৰাজ্যপাল আৰু বিধান পৰিষদৰ সদস্যসকলৰ নিৰ্বাচনৰ বাবে তৃতীয় আৰু এক জটিল সমানুপাতিক প্ৰতিনিধিত্ব (PR) ব্যৱস্থা গ্ৰহণ কৰিছে।

**সৰ্বাধিক ভোট পাওতাৰ বিজয় আৰু সমানুপাতিক প্ৰতিনিধিত্ব নিৰ্বাচন পদ্ধতিৰ তুলনা**

| FPTP | PR |
|---|---|
| সমগ্ৰদেশখনক সৰু সৰু ভৌগোলিক বিভাগত ভাগ কৰি লোৱা হয়, যাক সমষ্টি বা জিলা বুলি কোৱা হয় | বৃহৎ ভৌগোলিক এলেকাক সমষ্টিগত হিচাপে ভাগ কৰি লোৱা হয়। গোটেই দেশখনেই এটা সমষ্টিও হ'ব পাৰে। |
| প্ৰতিটো সমষ্টিৰ পৰা এজনকৈ প্ৰতিনিধি নিৰ্বাচন কৰা হয়। | এটা সমষ্টিৰ পৰা একাধিক প্ৰতিনিধি নিৰ্বাচিত হ'ব পাৰে। |
| ভোটদাতাসকলে প্ৰাৰ্থীৰ সপক্ষে ভোট দিয়ে | ভোটদাতাসকলে দলৰ সপক্ষে ভোট দিয়ে |
| এটা দলে বিধান মণ্ডলত লাভ কৰা ভোটতকৈ বেছি আসন লাভ কৰিব পাৰে। | প্ৰতিটো দলেই লাভ কৰা ভোটৰ % শতকৰা নিৰিখ অনুসৰি বিধানমণ্ডলত আসন লাভ কৰে |
| উদাহৰণ ঃ বৃটেইন, ভাৰত নিৰ্বাচনৰ জয়ী হোৱা প্ৰতিনিধিজনে সংখ্যাগৰিষ্ঠ ভোট নাপাবও পাৰে (৫০% + ১) | উদাহৰণ ঃ ইজৰাইল, নেদাৰলেণ্ড প্ৰতিনিধিজনে সংখ্যাগৰিষ্ঠ ভোট পাব লাগিব। |

**ৰাজ্যসভাৰ নিৰ্বাচনত আনুপাতিক প্ৰতিনিধিত্বই কেনেকৈ কাম কৰে (How does PR work in Rajya Sabha Elections)**

ৰাজ্যসভা নিৰ্বাচনৰ বাবে আনুপাতিক প্ৰতিনিধিত্বৰ তৃতীয় ৰূপ দেখা যায় যাৰ দ্বাৰা একক হস্তান্তৰযোগ্য ভোট (Single transferable vote) পদ্ধতি অৱলম্বন কৰা হয়। প্ৰত্যেক ৰাজ্যৰ ৰাজ্যসভাত নিৰ্দিষ্ট সংখ্যক আসন আছে। প্ৰতিখন ৰাজ্যৰ বিধান সভাৰ নিৰ্বাচিত সদস্য সকলে একক হস্তান্তৰযোগ্য গোপন ভোটৰ জৰিয়তে ৰাজ্যসভাৰ সদস্য সকলক নিৰ্বাচিত কৰে। ভোটাৰসকল হ'ল সংশ্লিষ্ট ৰাজ্যখনৰ বিধায়ক। প্ৰতিজন ভোটদাতাই প্ৰাৰ্থীসকলক নিজৰ পছন্দৰ ভিত্তিত ক্ৰম অনুযায়ী শ্ৰেণীভুক্ত কৰে। জয়লাভ কৰিবলৈ এজন প্ৰাৰ্থীয়ে এক নিম্নতম সংখ্যক ভোট পাবই লাগিব। তাৰ বাবে এটা সূত্ৰ আছে ঃ

$$\left(\frac{\text{মুঠ ভোটৰ সংখ্যা}}{\text{নিৰ্বাচিত হ'বলগীয়া সৰ্বমুঠ প্ৰাৰ্থীৰ সংখ্যা} + ১}\right)$$

উদাহৰণ স্বৰূপে যদি ৰাজ্যসভাৰ বাবে ৰাজস্থানৰ ২০০ জন বিধায়কে ৪ জন সদস্য নিৰ্বাচন কৰিব লাগে, বিজেতাজনে (২০০/৪+১=৪০ +১) ৪১ টা ভোট পাব লাগিব। ভোট গণনা কৰোঁতে প্ৰতিজন প্ৰাৰ্থীয়ে পোৱা প্ৰথম পছন্দৰ ভোটক ভিত্তি হিচাপে লোৱা হয়।

যদিহে প্ৰথম পছন্দৰ ভোটসমূহ গণনা কৰাৰ পাচত প্ৰয়োজনীয় সংখ্যক প্ৰাৰ্থীয়ে 'কোটা' সংখ্যক ভোট নাপায়, তেন্তে নিম্নতম প্ৰথম পছন্দৰ ভোট পোৱা প্ৰাৰ্থীজনক তালিকাৰ পৰা বাদ দিয়া হয় আৰু তেওঁৰ বেলট পেপাৰত পোৱা দ্বিতীয় পছন্দৰ ভোটসমূহ প্ৰাৰ্থীসকললৈ হস্তান্তৰ কৰা হয়। যেতিয়ালৈকে প্ৰয়োজনীয় সংখ্যক প্ৰাৰ্থী নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা নহয় তেতিয়ালৈকে এই পদ্ধতি চলি থাকে।

**ভাৰতে 'সৰ্বাধিক ভোটেৰে বিজয় হোৱা' পদ্ধতি অৱলম্বন কৰাৰ কাৰণ কি? (Why did India adopt the FPTP system?)**


ইয়াৰ উত্তৰ বিচাৰি উলিওৱাটো বৰ টান নহয়। তুমি যদি ৰাজ্য সভাৰ নিৰ্বাচন সম্পৰ্কীয় তালিকাখন সাৱধানে পঢ়িছা তেন্তে নিশ্চয় লক্ষ্য কৰিছা যে এই পদ্ধতিটো বৰ জটিল আৰু সৰু দেশ এখনতহে কাৰ্যকৰী হ'ব পাৰে। কিন্তু ভাৰতৰ দৰে উপ-মহাদেশ এখনত ই কাৰ্যকৰী হোৱাটো কঠিন। FPTP পদ্ধতিটোৰ জনপ্ৰিয়তা আৰু সফলতাৰ

DAILY ASSAM



কাৰণ হ'ল ইয়াৰ সৰলতা। সেইবাবে ৰাজনীতি আৰু নিৰ্বাচনৰ বিষয়ে সম্যক জ্ঞান নথকা সাধাৰণ ভোটদাতা সকলেও সমগ্ৰ নিৰ্বাচন পদ্ধতিটো সহজতে বুজিব পাৰে। তাৰোপৰি নিৰ্বাচনৰ সময়ত ভোটদাতা সকলৰ সন্মুখত স্পষ্ট পছন্দ থাকে। ভোটদাতাসকলে ভোট দিওঁতে এজন প্ৰাৰ্থী বা এটা দলক অনুমোদন কৰিলেই হ'ল। প্ৰকৃত ৰাজনীতিৰ প্ৰকৃতি অনুসৰি ভোটদাতাসকলে দলক বা প্ৰাৰ্থীক বেছি গুৰুত্ব দিব পাৰে বা দুয়োটাকে সমান গুৰুত্ব দিব পাৰে। FPTP পদ্ধতিয়ে ভোটদাতা সকলক যে কেৱল দলৰ মাজৰ পৰা নিৰ্বাচন কৰাৰ সুবিধাই দিয়ে এনে নহয়, নিৰ্দিষ্ট প্ৰাৰ্থীৰ মাজৰ পৰা নিৰ্বাচনৰ সুবিধাও দিয়ে অন্য নিৰ্বাচনী পদ্ধতিত, বিশেষকৈ (PR) আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতিত প্ৰায়ে ভোটদাতাসকলক এটা দল নিৰ্বাচন কৰিবলৈ দিয়া হয় আৰু প্ৰতিনিধিসকলক দলীয় তালিকাৰ ভিত্তিত নিৰ্বাচিত কৰা হয়। ফলস্বৰূপে এটা এলেকাৰ কাৰণে এজন মাত্ৰ প্ৰতিনিধি নাথাকে আৰু কেৱল তেওঁৰেই দায়বদ্ধ নহয়। FPTP পদ্ধতিৰ দৰে সমষ্টি ভিত্তিক পদ্ধতিত ভোটদাতা সকলে তেওঁলোকৰ নিজৰ প্ৰতিনিধিজনক চিনি পায় আৰু তেওঁক দায়বদ্ধ কৰিব পাৰে।

## ব্যঙ্গ চিত্ৰখন পঢ়া




শাসক দলৰ এই সদস্যসকলে 'ক্ষুদ্ৰ' বিৰোধী দলৰ বক্তব্য শুনিবলৈ চেষ্টা কৰিছে। ই আমাৰ নিৰ্বাচনী পদ্ধতিৰ পৰিণাম নেকি বাৰু?

DAILY ASSAM



**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

তলত ১৯৯৬ চনৰ তামিলনাডু বিধানসভাৰ নিৰ্বাচনৰ ফলাফল দিয়া হৈছে।

- ইজৰাইলৰ নিচিনা আনুপাতিক প্ৰতিনিধিত্ব থকা হ'লে বিধানসভাখনৰ গঠন কেনেকুৱা হ'লহেতেন?
- কোন দলে সংখ্যাগৰিষ্ঠতা লাভ কৰিলেহেঁতেন?
- চৰকাৰ কোনে গঠন কৰিলেহেঁতেন?
- ৰাজনৈতিক দলসমূহৰ পাৰস্পৰিক সম্বন্ধত এই পদ্ধতিৰ প্ৰভাৱ কি হলহেঁতেন?

| মুঠ আসন ঃ ২৩৪ | | | |
|---|---|---|---|
| দলীয় প্ৰথা | ভোট | আসন | আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতিত আসনৰ সংখ্যা |
| ডি এম কে | ৪২.১ | ১৭৩ | |
| এ আই ডি এম কে | ২১.৫ | ৪ | |
| কংগ্ৰেছ | ৫.৬ | — | |
| চি পি আই | ২.১ | ৮ | |
| চি পি আই এম | ১.৭ | ১ | |
| টি এম চি | ৯.৩ | ৩৯ | |
| পি এম কে | ৩.৮ | ৪ | |
| অন্যান্য আৰু নিৰ্দলীয় | ১৩.৯ | ৫ | |

তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল সংবিধান প্ৰণেতাসকলে ভাবিছিল যে আমাৰ দৰে সংসদীয় পদ্ধতিৰ চৰকাৰ থকা দেশত আনুপাতিক প্ৰতিনিধিত্বমূলক নিৰ্বাচন স্থায়ী চৰকাৰ প্ৰদানৰ বাবে অসমৰ্থ হ'ব পাৰে। পিছৰ অধ্যায়ত আমি সংসদীয় পদ্ধতিৰ কাৰ্যপালিকাৰ বিষয়ে আলোচনা কৰিম। এই পদ্ধতি অনুসৰি বিধানমণ্ডলত কাৰ্যপালিকাৰ সংখ্যাগৰিষ্ঠতা থাকিব লাগিব। তুমি দেখিবা যে ভোটৰ অংশ অনুসৰি সংসদীয় আসন বিভাজিত হোৱা বাবে আনুপাতিক

DAILY ASSAM



প্ৰতিনিধিত্ব পদ্ধতিত স্পষ্ট সংখ্যাগৰিষ্ঠতা নাথাকিব পাৰে। FPTP পদ্ধতিয়ে সাধাৰণতে সবাটোকৈ বৃহৎ দলটিক বা সন্মিলিত (চৰকাৰক) কিছুমান উপৰুৰা Bonus আসন দিব পাৰে, যিটো তেওঁলোকে পোৱা ভোটতকৈ বেছি। গতিকে এই পদ্ধতিয়ে সংসদীয় চৰকাৰক সূচলভাব কাম কৰিবলৈ আৰু এখন সুস্থিৰ চৰকাৰ গঠন কৰিবলৈ সুবিধা দিয়ে। শেষত FPTP পদ্ধতিয়ে বেলেগ বেলেগ সামাজিক গোটৰ ভোটদাতা সকলক একগোটহৈ কোনো এটা অঞ্চলৰ পৰা জয়লাভ কৰাটো সম্ভৱ কৰি তোলাত উদগনি দিয়ে। ভাৰতৰ দৰে এখন বৈচিত্ৰ্যপূৰ্ণ দেশত আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতিয়ে প্ৰতিটো সম্প্ৰদায়কে নিজৰ নিজৰ ৰাষ্ট্ৰীয় দল গঠন কৰিবলৈ উৎসাহ যোগাব। আমাৰ সংবিধান প্ৰণেতা সকলেও হয়তো এই কথাকে ভাবিছিল।

সাংবিধানিক কাৰ্যকাৰিতাৰ অভিজ্ঞতাই সংবিধান প্ৰণেতা সকলৰ আশা আকাংক্ষা নিশ্চিত কৰিছে। FPTP পদ্ধতি সাধাৰণ ভোটদাতাসকলৰ বাবে সৰল আৰু পৰিচিত বুলি প্ৰতিপন্ন হৈছে। ই বৃহৎ দলবোৰক কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত স্পষ্ট বহু মত পোৱাত সহায় কৰিছে। এই পদ্ধতিয়ে জাতি বা সম্প্ৰদায় ভিত্তিত ভোট লাভ কৰা ৰাজনৈতিক দলবোৰক নিৰুৎসাহ কৰিছে। সাধাৰণতে FPTP পদ্ধতিয়ে দ্বিদলীয় পদ্ধতিৰ সৃষ্টি কৰে। ইয়াৰ অৰ্থ হ'ল ক্ষমতাৰ বাবে দুটা প্ৰধান প্ৰতিদ্বন্দ্বী দল থাকে আৰু সলনাসলনিকৈ দুয়োটা দলে ক্ষমতা লাভ কৰে, নতুন বা তৃতীয় দলৰ বাবে প্ৰতিযোগিতাত ভাগ লোৱা আৰু ক্ষমতা ভাগ কৰা কঠিন হয়। এই ক্ষেত্ৰত ভাৰতত FPTP অভিজ্ঞতা সামান্য বেলেগ। স্বাধীনতাৰ পিছত আমি FPTP পদ্ধতি গ্ৰহণ কৰিলো যদিও এক দলীয় প্ৰাধান্য হে বৰ্ত্তি থাকিল আৰু ইয়াৰ সমান্তৰালভাবে বহুতো সৰু সৰু দল চলি থাকিল। ১৯৮৯ চনৰ পাছৰে পৰা ভাৰতত বহুদলীয় সন্মিলিত চৰকাৰৰ সূচনা হৈছে। একে সময়তে লাহে লাহে বহু কেইখন ৰাজ্যত দ্বি-দলীয় প্ৰতিযোগিতা গঢ় লৈ উঠিছে। কিন্তু ভাৰতীয় দলীয় প্ৰথাৰ মূল বৈশিষ্ট্য হ'ল যে FPTP প্ৰথা চলি থকা স্বত্ত্বেও সন্মিলিত চৰকাৰৰ উত্থানে নতুন আৰু সৰু দলবোৰক নিৰ্বাচনী প্ৰতিযোগিতাত ভাগ ল'বলৈ সুযোগ দিছে।

DAILY ASSAM



### সমষ্টি সংৰক্ষণ (Reservation of constituencies)

আমি দেখিছো যে FPTP পদ্ধতিত এটা সমষ্টিত সৰ্বাধিক ভোট পোৱা প্ৰাৰ্থীজনেই নিৰ্বাচিত হয়। সৰু সৰু সামাজিক দলবোৰৰ বাবে ই অসুবিধাজনক হয়। ভাৰতীয় সামাজিক পৰিপ্ৰেক্ষিতত ই আৰু অধিক তাৎপৰ্যপূৰ্ণ। আমাৰ ইতিহাস জাতি ভেদ প্ৰথা বিশিষ্ট। এনেকুৱা সামাজিক প্ৰথাত FPTP নিৰ্বাচনী পদ্ধতিয়ে প্ৰধান সামাজিক দল আৰু সম্প্ৰদায়ে সকলোতে জয়লাভ কৰা আৰু শোষিত সামাজিক দলবোৰ প্ৰতিনিধিত্ব বিহীন হৈ থকাটো বুজাব পাৰে। আমাৰ সংবিধান প্ৰণেতাসকল এই বিষয়ে সজাগ আছিল আৰু শোষিত সামাজিক দলবোৰৰ উপযুক্ত আৰু ন্যায্য প্ৰতিনিধিত্বৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল।

> 'সুকীয়া নিৰ্বাচকবৰ্গ ভাৰতৰ বাবে এটা অভিশাপ, এই দেশখনৰ ই অভাবনীয় ক্ষতি কৰিলে সুকীয়া নিৰ্বাচকবৰ্গই আমাৰ প্ৰগতিত বাধা আনিলে... ... ... আমি (মুছলমান সকলে) জাতীয় সত্তাত মিলি যাব বিচাৰো! ঈশ্বৰৰ দোহাই মুছলমান সম্প্ৰদায়ৰ বাবে আসন সংৰক্ষশৰ পৰা বিৰত থাকক.....'
>
> **তাজামুল হুছেইন**
>
> CAD, Vol. Vill, P 333

স্বাধীনতাৰ আগতেও আনকি এই বিষয়ে আলোচনা হৈছিল আৰু বৃটিছসকলে সুকীয়া নিৰ্বাচকবৰ্গ (Seperate electorates) ৰ ব্যৱস্থা কৰিছিল। এই পদ্ধতিটো আছিল এনেকুৱা যে কোনো এটা সম্প্ৰদায়ৰ পৰা এজন প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ অকল সেই সম্প্ৰদায়ৰ ভোটদাতা সকলেহে ভোট দিব পাৰিছিল। সংবিধান সভাত বহুতো সদস্যই ইয়াৰ কুফলবোৰৰ সম্পৰ্কত আশংকা ব্যক্ত কৰিছিল। সেইবাবে সংৰক্ষিত সমষ্টিৰ সপক্ষে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই পদ্ধতিত কোনো এটা সমষ্টিৰ সকলো ভোটদাতাই ভোট দিব পাৰিছিল কিন্তু প্ৰাৰ্থীসকল এটা নিৰ্দিষ্ট সম্প্ৰদায় বা সামাজিক গোটৰ হব লাগিছিল যাৰ বাবে সেই আসনখন সংৰক্ষিত।

এনে কিছুমান সামাজিক দল আছে যিবোৰ সমগ্ৰ দেশ জুৰি বিস্তাৰিত হৈ আছে। কোনো এটা সমষ্টিত, তেওঁলোকৰ সংখ্যা এজন প্ৰাৰ্থীক বিজয়ী কৰিবলৈ যথেষ্ট

DAILY ASSAM



.....মই ভাৰতৰ আদিবাসীসকলৰ হৈ দুটামান কথা ক'বলৈ আহিছোঁ- ..... অতীতত মূখ্য ৰাজনৈতিক দল, বৃটিছ চৰকাৰ আৰু প্ৰতিজন জনাবুজা ভাৰতীয় নাগৰিকৰ অনুগ্ৰহত আমাক বিচ্ছিন্ন কৰি চিৰিয়াখানাত ৰখাৰ দৰে ৰখা হৈছিল ..... আমি আপোনালোকৰ লগত মিলি যাব বিচাৰোঁ আৰু সেইবাবে ..... আমি বিধানমণ্ডলত আসন সংৰক্ষণৰ ওপৰত জোৰ দিছোঁ। আমি সুকীয়া নিৰ্বাচকবৰ্গ বিচৰা নাই ...... ১৯৩৫ চনৰ আইনৰ অধীনত সমগ্ৰ ভাৰতৰ বিধানসভা সমূহত ১৫৮৫ জন প্ৰতিনিধিৰ ভিতৰত মাথোঁ ২৪ জন আদিবাসী বিধায়ক আছিল ..... কেন্দ্ৰত এজনো আদিবাসী প্ৰতিনিধি নাছিল।

**জয়পাল সিং**

CAD. Vol. V. P. 226

নহ'ব পাৰে। কিন্তু সমগ্ৰ দেশখনত তেওঁলোকৰ সংখ্যা যথেষ্ট বেছি হ'ব পাৰে। তেওঁলোকৰ উপযুক্ত প্ৰতিনিধিত্ব নিশ্চিত কৰিবলৈ এটা সংৰক্ষণ পদ্ধতিৰ আৱশ্যক। সংবিধানে লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আসন সংৰক্ষনৰ ব্যৱস্থা কৰিছে। প্ৰথমে ১০ বছৰৰ বাবে এই ব্যৱস্থা কৰা হৈছিল যদিও পিছৰ সংবিধান সংশোধনৰ দ্বাৰা ইয়াক ২০১০ চনলৈকে বৃদ্ধি কৰা হৈছে। এই সময় সীমা পাৰ হ'লে সংসদে ইয়াক পুনৰ বৃদ্ধি কৰিবলৈ সিদ্ধান্ত ল'ব পাৰে। এই দুয়োটা দলৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা ভাৰতত থকা তেওঁলোকৰ জনসংখ্যাৰ সমানুপাতিক। বৰ্তমান লোকসভাৰ ৫৪৩ খন নিৰ্বাচিত আসনৰ ভিতৰত ৭৯ খন অনুসূচিত জাতিৰ বাবে আৰু ৪১ খন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত।

কোনটো সমষ্টি সংৰক্ষিত কৰি ৰখা হ'ব সেইটো কোনে নিৰ্ধাৰণ কৰে? কিহৰ ভিত্তিত এই সিদ্ধান্ত লোৱা হয়? এই সিদ্ধান্ত সীমা নিবন্ধন আয়োগ (Delimitation Commission) নামৰ এটা স্বতন্ত্ৰ গোটে লয়। এই আয়োগক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে আৰু ই ভাৰতৰ নিৰ্বাচন আয়োগৰ সহযোগত -কাম কৰে। দেশৰ সকলো সমষ্টিৰে সীমা নিৰ্ধাৰণ কৰিবলৈ ইয়াক নিযুক্ত কৰা হয়।

এখন ৰাজ্যৰ অনুসূচীত জাতি আৰু জনজাতিৰ অংশৰ ওপৰত নিৰ্ভৰ কৰি এক নিৰ্দিষ্ট সংখ্যক সমষ্টি ৰাজ্যখনৰ বাবে সংৰক্ষণ কৰি ৰখা হয়। সীমা নিৰ্ধাৰণ কৰাৰ পিছত সীমা নিবন্ধন আয়োগে প্ৰতিটো সমষ্টিৰ জন গাঁঠনি বিবেচনা কৰে। সৰ্বাধিক অনুসূচীত জনজাতিৰ লোক থকা সমষ্টিসমূহ তেওলোকৰ কাৰণে সংৰক্ষণ কৰি ৰখা হয়। অনুসূচিত জাতিৰ ক্ষেত্ৰত, সীমাবন্ধন আয়োগে (D.C.) দুটা কথাৰ প্ৰতি লক্ষ্য ৰাখে। ই বেছিসংখ্যক অনুসূচীত জনজাতি থকা সমষ্টিবোৰ বাছি লয়। কিন্তু ই এই সমষ্টিবোৰ ৰাজ্যৰ বিভিন্ন অঞ্চলত বিতৰণ কৰি দিয়ে। এনে কৰাৰ কাৰণ হ'ল অনুসূচীত জাতিৰ জনসংখ্যা সাধাৰণতে সমগ্ৰ দেশতে বিয়পি আছে। প্ৰতিবাৰ সমষ্টি নিৰ্ধাৰণ কৰোঁতে এই সংৰক্ষিত সমষ্টিবোৰ আৱৰ্তন (rotate) কৰিব পাৰি।

অন্য পিছপৰা দলৰ বাবে সংবিধানে এনে ধৰণৰ সংৰক্ষণ কৰা নাই। বৰ্তমান লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে আসন সংৰক্ষনৰ বাবে সজোৰে দাবী উত্থাপিত হৈছে। প্ৰতিনিধিত্বমূলক গোটবোৰত অতি কমসংখ্যক মহিলা নিৰ্বাচিত হোৱা বাবে এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষিত কৰি ৰখাৰ কথা ভবা হৈছে । গ্ৰাম্য আৰু নগৰীয়া স্থানীয় প্ৰশাসনৰ অনুষ্ঠানসমূহত মহিলাৰ বাবে আসন সংৰক্ষণ কৰা হৈছে। স্থানীয় চৰকাৰ বিষয়ক অধ্যায়ত আমি এই বিষয়ে আলোচনা কৰিম। লোকসভা আৰু বিধানসভাৰ ক্ষেত্ৰত এনে ব্যৱস্থা কৰিবৰ বাবে সংবিধান সংশোধনীৰ আৱশ্যক হ'ব। সংসদত এনে সংশোধনী প্ৰস্তাৱ কেবাবাৰো অনা হৈছে যদিও এতিয়াও গৃহিত হোৱা নাই।

## মুক্ত আৰু নিকা নিৰ্বাচন (Free and Fair Elections)

যি কোনো নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰকৃত সফলতা নিৰ্ভৰ কৰে মুক্ত আৰু নিকা হোৱাৰ ওপৰত। গণতন্ত্ৰৰ সফলতাৰ বাবে নিৰ্বাচনী পদ্ধতি নিৰপেক্ষ আৰু স্বচ্ছ হোৱা আৱশ্যক। নিৰ্বাচনৰ ফলাফল বিলাকৰ মাজেদি ভোটদাতাসকলৰ যুক্তিসঙ্গত আশা-আকংক্ষা প্ৰতিফলিত কৰিব লাগিব।

DAILY ASSAM



**তোমাৰ প্ৰগতি পৰীক্ষা কৰা**

ভাৰতৰ জনসংখ্যাৰ ১৩·৫ শতাংশ মুছলমান লোক। কিন্তু লোকসভাত মুছলমান সাংসদৰ সংখ্যা সাধাৰণতে ৬ শতাংশতকৈ কম। জনসংখ্যাৰ অংশ হিচাবত ই আধাতকৈ কম। বেছিভাগ ৰাজ্যিক বিধানসভাত সেই একে কথাই খাটে। তিনিজন ছাত্ৰই ইয়াৰ পৰা বেলেগ বেলেগ সিদ্ধান্ত ল'ব পাৰে। তাৰ প্ৰতিটো সিদ্ধান্ত তুমি মানি লোৱা বা নোলোৱাৰ কাৰণ লিখা।

**হিলাল ঃ** ই FPTP পদ্ধতিৰ অন্যায় প্ৰতিফলিত কৰে। আমি আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতি গ্ৰহণ কৰাটো উচিত আছিল।

**আৰিফ ঃ** ই অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আসন সংৰক্ষণ ব্যৱস্থাৰ যুক্তি যুক্ততা দেখুৱাইছে। একেদৰে অনুসূচীত জাতি আৰু জনজাতিৰ দৰে মুছলমানসকলৰ বাবেও আসন সংৰক্ষনৰ প্ৰয়োজন।

**চাবা ঃ** মুছলমানসকলৰ বাবে কোৱা কোনো যুক্তি নাই। কিন্তু ইয়াৰ দ্বাৰা মুছলমান মহিলাসকলে প্ৰতিনিধিত্বৰ কোনো অংশ নাপায়। মুছলমান মহিলাসকলৰ বাবে এক সুকীয়া 'কোটা'ৰ আৱশ্যক।



*মইপ্ৰাপ্তবয়স্ক হয়নে? মোৰ ভৱিষ্যত জীৱিকা বাছি ল'ব পৰাকৈ মই প্ৰাপ্তবয়স্ক, মোৰ গাড়ী চলোৱাৰ অনুজ্ঞাপত্ৰ (Driving license) পোৱাৰ বয়স হৈছে, কিন্তু তথাপি জানো মোৰ ভোট দিব পৰা বয়স হোৱা নাই! যদিহে আইন মোৰ ক্ষেত্ৰত প্ৰযোজ্য এই আইনসমূহ প্ৰস্তুত কৰোঁতাজন কোন হ'ব সেই সিদ্ধান্ত ই কিয় ল'ব নোৱাৰোঁ?*

## সাৰ্বজনীন ভোটাধিকাৰ আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ (Universal franchise and right to contest)

সংবিধানত নিৰ্বাচন পদ্ধতি বৰ্ণনা কৰাৰ উপৰিও নিৰ্বাচন সম্বন্ধীয় দুটা প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। কোনবিলাক ব্যক্তি ভোটদাতা? নিৰ্বাচনত কোন বিলাক ব্যক্তিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে? এই দুয়োটা ক্ষেত্ৰতে আমাৰ সংবিধানে সু প্ৰতিষ্ঠিত গণতান্ত্ৰিক নীতি অনুসৰণ কৰিছে।

তুমি ইতিমধ্যে জানিব পাৰিছা যে গণতান্ত্ৰিক নিৰ্বাচনত দেশৰ প্ৰতিজন প্ৰাপ্তবয়স্ক লোকে ভোট দিবলৈ যোৱা উচিত। ইয়াকে সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ বুলি কোৱা হয়। বহুতো দেশত এই অধিকাৰ লবলৈ নাগৰিক সকলে দীঘলীয়া সংগ্ৰাম কৰিবলগীয়া হৈছিল। বহুতো দেশতে মহিলাসকলে সংগ্ৰাম কৰাৰ ফলশ্ৰুতিত

DAILY ASSAM




দেৰিকৈ হ'লেও এই অধিকাৰ পাইছিল। ভাৰতীয় সংবিধান প্ৰণেতাসকলে প্ৰতিজন প্ৰাপ্তবয়স্ক মানুহক ভোটাধিকাৰ দিয়াটো এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

১৯৮৯ চনলৈকে প্ৰাপ্তবয়স্ক ভাৰতীয় বুলিলে ২১ বছৰৰ ওপৰৰ ভাৰতীয় নাগৰিকক বুজাইছিল। ১৯৮৯ চনত এটা সংবিধান সংশোধনীৰ দ্বাৰা যোগ্যতাৰ এই বয়স ১৮ বছৰলৈ হ্ৰাস কৰা হয়। প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ অৰ্থ হ'ল যে সকলো নাগৰিকে তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰে। অধিকাৰ সম্বন্ধীয় অধ্যায়ত আমি পঢ়া সমতা আৰু বৈষম্যহীনতাৰ নীতিৰ লগত ইয়াৰ সামঞ্জস্য আছে। বহুতে আনকি এতিয়াও ভাবে যে শিক্ষাগত অৰ্হতা বিচাৰ নকৰাকৈ সকলোকে ভোটদানৰ অধিকাৰ দিয়াটো উচিত নাছিল। কিন্তু আমাৰ সংবিধান প্ৰণেতাসকলৰ দৃঢ় বিশ্বাস আছিল যে সমাজ, দেশ আৰু নিজৰ সমষ্টিৰ কাৰণে কি হলে ভাল হ'ব তাক নিৰ্ণয় কৰিব পৰাৰ ক্ষমতা প্ৰতিজন প্ৰাপ্তবয়স্ক নাগৰিকৰে সমান।

ভোট দিয়াৰ অধিকাৰৰ ক্ষেত্ৰত যি কথা প্ৰযোজ্য সি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ক্ষেত্ৰটো খাটে। সকলো নাগৰিকৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ আৰু ৰাইজৰ প্ৰতিনিধি হোৱাৰ অধিকাৰ আছে। অৱশ্যে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বয়সৰ যোগ্যতা বেলেগ বেলেগ। উদাহৰণ স্বৰূপে, লোকসভা বা

**ব্যঙ্গ চিত্ৰখন পঢ়া**




Shankar. Copyright: Children's Book Trust.

সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰক কিয় হাতীৰ লগত তুলনা কৰা হৈছে? অথবা ই প্ৰতিজনেই বেলেগ বেলেগ অঙ্গ স্পৰ্শ কৰি হাতীটোক বৰ্ণনা কৰাৰ সাধুটোৰ নিচিনা নেকি?

বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ এজন প্ৰাৰ্থীৰ বয়স অন্ততঃ ২৫ বছৰ হ'ব লাগিব, তাৰোপৰি আন কিছুমান বাধ্যবাধকতাও আছে। যেনে দুবছৰ বা ততোধিক কাল কাৰাবাস খটা ব্যক্তিয়ে আইনমতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে। কিন্তু আয়, শিক্ষা, শ্ৰেণী বা লিঙ্গৰ ভিত্তিত কোনো বাধা নাই। এই ক্ষেত্ৰত, আমাৰ নিৰ্বাচন পদ্ধতি সকলোৰে বাবে মুকলি।

### স্বাধীন নিৰ্বাচন আয়োগ (Independent Election Commission)

মুক্ত আৰু নিকা নিৰ্বাচনী পদ্ধতি আৰু প্ৰক্ৰিয়া সুনিশ্চিত কৰিবলৈ ভাৰতত বিভিন্ন প্ৰচেষ্টা চলোৱা হৈছে। ইয়াৰ সকলোতকৈ গুৰুত্বপূৰ্ণ হ'ল 'নিৰ্বাচন পৰ্য্যবেক্ষণ আৰু অনুষ্ঠিত' কৰিবলৈ এটা স্বাধীন নিৰ্বাচনী আয়োগ গঠন কৰা। তুমি জানানে যে বহুতো দেশত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ এনেকুৱা স্বাধীন যন্ত্ৰ (Machanism) নাই।

***Article 324 : (1)***

*The superintendence, direction and control of the preparation of the electoral rolls for and the conduct of, all elections to Parliament and to the legislature of every State and of elections to the offices of President and Vice-President held under this constitution shall be vested in a commision (referred to in this constitution as the election commission).*

সংসদ, বিধানসভা, ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পৰিচালনা কৰিবলৈ আৰু ভোটাৰ তালিকা প্ৰস্তুত, নিৰ্দেশনা আৰু তত্বাৱধান কৰিবলৈ সংবিধানৰ ৩২৪ (১) অনুচ্ছেদৰ অধীনত এটা নিৰ্বাচন আয়োগ গঠন কৰা হৈছে।

ভাৰতীয় সংবিধানৰ ৩২৪ অনুচ্ছেদত নিৰ্বাচনী তালিকাৰ তত্বাৱধান, নিৰ্দেশ আৰু নিয়ন্ত্ৰণৰ বাবে আৰু ভাৰতত নিৰ্বাচন অনুষ্ঠিত কৰিবৰ বাবে এক স্বাধীন নিৰ্বাচনী আয়োগৰ ব্যৱস্থা কৰা হৈছে। সংবিধানৰ এই কথাখিনি বৰ গুৰুত্বপূৰ্ণ, কিয়নো ই নিৰ্বাচনী আয়োগক নিৰ্বাচন সম্পৰ্কীয় সকলো কামৰ দায়িত্ব দিছে। ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়েও সংবিধানৰ এই ব্যাখ্যা মানি লৈছে।



ভাৰতৰ নিৰ্বাচনী আয়োগক সহায় কৰিবলৈ প্ৰতিখন ৰাজ্যতে একোজন মুখ্য

DAILY ASSAM



নিৰ্বাচনী বিষ নিৰ্বাচাছে। নিৰ্বাচনী আয়োগে স্থানীয় অনুষ্ঠানসমূহৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে দায়বদ্ধ নাথাকে। স্থানীয় চৰকাৰ বিষয়ক অধ্যায়ত উল্লেখ কৰাৰ দৰে, ৰাজ্যিক নিৰ্বাচনী আয়ুক্তসকলে ভাৰতৰ নিৰ্বাচনী আয়োগৰ পৰা সম্পূৰ্ণ স্বতন্ত্ৰভাৱে কাম কৰে আৰু প্ৰত্যেকৰে নিজা কাৰ্যক্ষেত্ৰ আছে।

ভাৰতৰ নিৰ্বাচনী আয়োগ এজন বা কেবাজনো সদস্যক লৈ গঠন হ'ব পাৰে। ১৯৮৯ চনলৈকে নিৰ্বাচনী আয়োগ এজনীয়া আছিল। ১৯৮৯ চনৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে দুজন নিৰ্বাচনী আয়ুক্তক নিযুক্তি দি ইয়াক বহু সদস্যযুক্ত কৰা হয়। নিৰ্বাচনৰ পিছতেই ইয়াক পুনৰ এজনীয়া কৰা হয়। ১৯৯৩ চনত পুনৰ দুজন আয়ুক্তক নিযুক্তি দিয়া হয় আৰু তেতিয়াৰে পৰা নিৰ্বাচনী আয়োগ বহু সদস্যবিশিষ্ট হৈয়েই আছে। প্ৰথমতে এই বিষয়ত আশংকা কৰা হৈছিল। সেই সময়ৰ মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু আন আয়ুক্তসকলৰ মাজত ক্ষমতাক লৈ তীব্ৰ মত বিৰোধ হৈছিল। শেষত সৰ্বোচ্চ ন্যায়ালয়ে ইয়াক সমাধা কৰে। বৰ্তমান বহু সদস্যযুক্ত নিৰ্বাচনী আয়োগ ক্ষমতাৰ বিভাজন আৰু দায়বদ্ধতাৰ ফালৰ পৰা বেচি উপযুক্ত বুলি সৰ্বসন্মতভাৱে মানি লোৱা হৈছে।

মুখ্য নিৰ্বাচনী আয়ুক্তই নিৰ্বাচনী আয়োগত সভাপতিত্ব কৰে যদিও আন নিৰ্বাচনী আয়ুক্তসকলতকৈ তেওঁৰ ক্ষমতা বেছি নহয়। মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু আন দুজন আয়ুক্তৰ নিৰ্বাচন বিষয়ক সিদ্ধান্ত গ্ৰহণত সামূহিক গোট হিচাপে সমান ক্ষমতা আছে। তেওঁলোকক মন্ত্ৰী পৰিষদৰ পৰামৰ্শ ক্ৰমে ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে। সেই বাবে শাসক দলৰ বাবে আয়োগত নিৰ্বাচনী সুবিধাৰ বাবে পক্ষপাত দুষ্ট ব্যক্তি নিয়োগ কৰা সম্ভৱ হ'ব পাৰে। সেইবাবে বহুতে এই পদ্ধতি সলনি কৰাৰ পৰামৰ্শ দিয়ে। বহুতো ব্যক্তিয়ে নিৰ্বাচনী আয়ুক্ত আৰু মুখ্য আয়ুক্তক নিযুক্তি দিয়াৰ সময়ত বিৰোধী নেতা আৰু ভাৰতৰ মুখ্য ন্যায়াধীশৰ লগত পৰামৰ্শ কৰিব লাগে বুলি কয়।



ইয়াৰ মীমাংসা হ'লনে? নে চৰকাৰে পুনৰ এজনীয়া নিৰ্বাচনী আয়োগলৈ ঘূৰি যাব পাৰে? সংবিধানে এই খেলখন অনুমোদন কৰেনে?

DAILY ASSAM



সংবিধানে মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু নিৰ্বাচন আয়ুক্ত সকলৰ কাৰ্যকালৰ সুৰক্ষা দিছে। তেওঁলোকক ৬ বছৰীয়া কাৰ্যকাল বা ৬৫ বছৰ বয়সলৈ যিটোৱে আগতে হয় সেইমতে নিয়োগ কৰা হয়। মুখ্য নিৰ্বাচনী আয়ুক্তক নিৰ্দিষ্ট কাৰ্যকালৰ আগতেই সংসদৰ উভয় সদনৰ বিশেষ সংখ্যাগৰিষ্ঠ ভোট সাপেক্ষে ৰাষ্ট্ৰপতিয়ে অপসাৰণ

**বিশেষ সংখ্যাগৰিষ্ঠতা** (Special majority)

বিশেষ সংখ্যাগৰিষ্ঠতাৰ অৰ্থ হ'ল ঃ

- উপস্থিত ভোটদাতা সকলৰ দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা আৰু
- সদনৰ মুঠ সদস্যৰ সাধাৰণ সংখ্যাগৰিষ্ঠতা।

ধৰি লোৱা যে তুমি তোমাৰ শ্ৰেণীত বিশেষ সংখ্যাগৰিষ্ঠতাৰে এটা প্ৰস্তাব গ্ৰহণ কৰিব লাগে। ধৰি লোৱা যে তোমাৰ শ্ৰেণীত ৫৭ জন ছাত্ৰ আছে। কিন্তু ভোট গ্ৰহণৰ দিনা মাত্ৰ ৫১ জনহে উপস্থিত আৰু তাৰে ৫০ জনে ভোট গ্ৰহণত অংশ গ্ৰহণ কৰিছে। এনে পৰিস্থিতিত বিশেষ সংখ্যাগৰিষ্ঠতাৰে প্ৰস্তাৱটো গ্ৰহণ কৰা বুলি তুমি কেতিয়া কবা?

এই কিতাপখনত অন্ততঃ তিনিটা অন্য অধ্যায়ত তুমি বিশেষ সংখ্যাগৰিষ্ঠতাৰ কথা উল্লেখ পাবা। ইয়াৰে এটা পিছৰ অধ্যায়ত কাৰ্যপালিকা বিষয়ক অধ্যায়ত পাবা। তাত আমি ভাৰতৰ ৰাষ্ট্ৰপতিৰ মহাভিযোগৰ বিষয়ে আলোচনা কৰিম। বিশেষ সংখ্যাগৰিষ্ঠতাৰ কথা আলোচনা কৰা আন দুটা স্থান বিচাৰি উলিওৱা।

কৰিব পাৰে। নিৰ্বাচনত মূখ্য নিৰ্বাচনী আয়ুক্তই নিৰ্বাচনত শাসকীয় দলৰ প্ৰতি বিশেষ অনুগ্ৰহ নেদেখুওৱা বাবে শাসক দলে যাতে তেওঁক অপসাৰণ কৰিব নোৱাৰে সেইটো সুনিশ্চিত কৰিবলৈ এনে কৰা হৈছে। নিৰ্বাচনী আয়ুক্তসকলক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে অপসাৰণ কৰিব পাৰে।

**ভাৰতত নিৰ্বাচন আয়োগৰ বিভিন্ন কাৰ্য আছে।**

- ই সম্পূৰ্ণ নতুন (Up to date) নিৰ্বাচনী তালিকা প্ৰণয়নৰ কাম তত্ত্বাবধান কৰে। পঞ্জীয়ণভুক্ত ভোটদাতাৰ নাম যাতে বাদ পৰি নাযায় বা অযোগ্য বা অস্তিত্বহীন (Non-existent) ভোটদাতাৰ নাম যাতে নিৰ্বাচনী তালিকাত সোমাব নোৱাৰে তাক সুনিশ্চিত কৰিবলৈ ই সকলো ব্যৱস্থা লয়।
- ই নিৰ্বাচনৰ সময়সূচী নিৰ্ধাৰণ কৰে আৰু নিৰ্বাচনী কাৰ্যক্ৰম প্ৰস্তুত কৰে। নিৰ্বাচনী

DAILY ASSAM





কাৰ্যক্ৰম বুলিলে নিৰ্বাচনৰ জাননী জাৰি কৰা, মনোনয়ন পত্ৰ দাখিলৰ তাৰিখ ঘোষণা, মনোনয়ন পত্ৰ দাখিলৰ শেষ তাৰিখ, অনুসন্ধানৰ শেষ তাৰিখ ঘোষণা, মনোনয়ন পত্ৰ উঠাই লোৱাৰ তাৰিখ ঘোষণা, নিৰ্বাচনৰ তাৰিখ, ভোট গণনাৰ তাৰিখ ঘোষণা আৰু ফলাফল ঘোষণা কৰা এই সকলোবোৰ অন্তৰ্ভুক্ত হয়।

- এই সমস্ত প্ৰক্ৰিয়াটোত মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্বাচনী আয়োগে যি কোনো সিদ্ধান্ত লোৱাৰ ক্ষমতা আছে। ই যদি ভাবে যে সমগ্ৰ দেশত বা কোনো ৰাজ্য বা সমষ্টিত মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ অনুকূল পৰিবেশ নাই তেনেহ'লে ই নিৰ্বাচন পিছুৱাই দিব পাৰে বা নাকচ কৰি দিব পাৰে। আয়োগে দল আৰু প্ৰাৰ্থীৰ বাবে আচৰণ বিধি প্ৰয়োগ কৰে। কোনো নিৰ্দিষ্ট সমষ্টিত ই পুনৰ নিৰ্বাচনৰ আদেশ দিব পাৰে। ই যদি ভাবে যে ভোট গণনাত কিবা কেৰোণ আছে তেন্তে ই পুণৰভোট গণনাৰ আদেশ দিব পাৰে।
- নিৰ্বাচনী আয়োগে ৰাজনৈতিক দলক স্বীকৃতি দিয়ে আৰু প্ৰত্যেককে প্ৰতীক প্ৰদান কৰে।

নিৰ্বাচনী আয়োগৰ অতি কম সংখ্যক নিজস্ব কৰ্মচাৰী আছে। প্ৰশাসনীয় যন্ত্ৰৰ সহায়ত ই নিৰ্বাচন অনুষ্ঠিত কৰে। অৱশ্যে নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে নিৰ্বাচন সম্পৰ্কীয় বিষয়ত আয়োগৰ প্ৰশাসনীয় নিয়ন্ত্ৰণ বলবৎ হয়। নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকা সময়ত ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনীয় বিষয়াসকলক নিৰ্বাচন সম্পৰ্কীয় দায়িত্ব দিয়া হয় আৰু তেওঁলোকৰ ওপৰত নিৰ্বাচনী আয়োগৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ থাকে। নিৰ্বাচনী আয়োগে বিষয়াসকলক বদলি কৰিব পাৰে বা তেওঁলোকৰ বদলি ৰদ কৰিব পাৰে। তেওঁলোকে নিৰপেক্ষভাৱে কাম নকৰিলে তেওঁলোকৰ বিপক্ষে আয়োগে ব্যৱস্থা ল'ব পাৰে।

পাৰ হৈ যোৱা বছৰবিলাকত ভাৰতৰ নিৰ্বাচন আয়োগে স্বতন্ত্ৰ কৰ্তৃপক্ষ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ পৱিত্ৰতা ৰক্ষা কৰিবলৈ ই নিৰপেক্ষভাৱে কাম কৰি আহিছে। নিৰ্বাচনী আয়োগৰ অভিলেখে দেখুৱাইছে যে কোনো অনুষ্ঠানৰ কাৰ্যকাৰিতাৰ উন্নয়নৰ বাবে আইনগত বা সাংবিধানিক পৰিবৰ্তনৰ প্ৰয়োজন নাই। আজিৰ পৰা ২০ বছৰ আগতকৈ নিৰ্বাচনী

DAILY ASSAM



আয়োগক এতিয়া বেছি স্বতন্ত্ৰ আৰু দৃঢ় বুলিও সকলোৱে মানি লয়। নিৰ্বাচন আয়োগৰ ক্ষমতা আৰু সাংবিধানিক সুৰক্ষা বৃদ্ধি পোৱা বাবে এনে হোৱা নাই। নিৰ্বাচনী আয়োগে সংবিধান প্ৰদত্ত ক্ষমতাবোৰ বেচি ফলপ্ৰসূ ভাৱে প্ৰয়োগ কৰিবলৈ লৈছে।

## ব্যঙ্গঁ চিত্ৰখন পঢ়া



*Watch out! Winning the elections is going to be tough. We'll have to face new situations like the code of conduct, fair and free polling, strict . . . !*

R K Laxman in The Times of India

*নেতাজীয়ে নিৰ্বাচনী আয়োগক ভয় কৰিছে। নেতাসকলে নিৰ্বাচনী আয়োগক ভয় কৰে? এইটো গণতন্ত্ৰৰ বাবে ভালনে?*

যোৱা ৫৫ বছৰত ১৪ টা লোকসভা নিৰ্বাচন হৈ গ'ল। আয়োগে বহু ৰাজ্যিক বিধানসভা নিৰ্বাচন আৰু উপ-নিৰ্বাচন অনুষ্ঠিত কৰিছে। অসম, পাঞ্জাব বা জম্মু আৰু কাশ্মীৰৰ দৰে উগ্ৰপন্থী অধ্যুষিত ৰাজ্যতো নিৰ্বাচন অনুষ্ঠিত কৰাৰ দৰে কঠিন পৰিস্থিতিৰো ই সন্মুখীন হৈছে। ১৯৯১ চনত নিৰ্বাচনী প্ৰচাৰৰ মাজতে পূৰ্ব প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীক হত্যা কৰোঁতে হঠাতে নিৰ্বাচন পিছুৱাই দিয়াৰ দৰে কঠিন পৰিস্থিতিৰো ই সন্মুখীন হৈছে। ২০০২ চনত যেতিয়া গুজৰাট বিধানসভা ভঙ্গ কৰি দিয়া হৈছিল আৰু নিৰ্বাচন পাতিব লগা হৈছিল তেতিয়া ই আন এক জটিল পৰিস্থিতিৰ সন্মুখীন হৈছিল। কিন্তু নিৰ্বাচন আয়োগে দেখিছিল যে অভূতপূৰ্ব হিংসাত্মক ঘটনাই সেই ৰাজ্যত ততালিকে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাটো অসম্ভৱ কৰি তুলিছিল। নিৰ্বাচনী আয়োগে ৰাজ্য বিধান সভাৰ নিৰ্বাচন কেইমাহ মানলৈ পিছুৱাই দিবলৈ সিদ্ধান্ত লৈছিল। সৰ্বোচ্চ ন্যায়ালয়ে নিৰ্বাচন আয়োগৰ এই সিদ্ধান্ত বাহাল ৰাখিছিল।

DAILY ASSAM



**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

নিৰ্বাচনী আয়োগৰ নিম্নলিখিত ক্ষমতা আৰু সা-সুবিধাবোৰ থকাৰ কাৰণ তুমি কি বুলি ভাবা? এইবোৰ নথকা হ'লে কি হ'লহেতেন?

নিৰ্বাচনী দায়িত্বত থকা চৰকাৰী কৰ্মচাৰীক আয়োগে আদেশ দিব পাৰে।

চৰকাৰে মুখ্য নিৰ্বাচনী আয়ুক্তক অপসাৰণ কৰিব নোৱাৰে।

নিৰ্বাচন মুক্ত আৰু নিকা নহ'লে আয়োগে নাকচ কৰি দিব পাৰে।

---

## নিৰ্বাচনী সংস্কাৰ (Electoral Reforms)

কোনো নিৰ্বাচনী পদ্ধতিয়েই স্বয়ং সম্পূৰ্ণ হব নোৱাৰে। যি কোনো নিৰ্বাচনী প্ৰক্ৰিয়াত বহুতো দোষ আৰু সীমাবদ্ধতা থকা স্বাভাৱিক। যিকোনো গণতান্ত্ৰিক সমাজত নিৰ্বাচন সৰ্বাধিক মুক্ত আৰু নিকা কৰিবলৈ উপযুক্ত আহিলা বিচাৰি থকাটো প্ৰয়োজন। ভাৰতে প্ৰাপ্তবয়স্ক ভোটাধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ স্বাধীনতা আৰু স্বতন্ত্ৰ নিৰ্বাচন আয়োগ প্ৰতিষ্ঠাৰ দ্বাৰা নিৰ্বাচনী প্ৰক্ৰিয়াটো মুক্ত আৰু নিকা কৰিবলৈ চেষ্টা কৰিছে। অৱশ্যে যোৱা ৫৫ বছৰৰ অভিজ্ঞতাৰ পৰা আমাৰ নিৰ্বাচন পদ্ধতি সংস্কাৰৰ বাবে বহুতো পৰামৰ্শ পোৱা গৈছে। নিৰ্বাচন আয়োগ, ৰাজনৈতিক দল, নানা স্বতন্ত্ৰ গোট আৰু বহুতো পণ্ডিত লোকে নিৰ্বাচনী সংস্কাৰৰ বাবে প্ৰস্তাৱ লৈ আহিছে। সাংবিধানিক ব্যৱস্থাৰ পৰিবৰ্তন সম্বন্ধে কিছুমান পৰামৰ্শ এই অধ্যায়ত আলোচনা কৰা হব ঃ



*আইন পৰিৱৰ্তন কৰি ধন আৰু বাহুবলৰ প্ৰভাৱ কমাব পাৰিনে? আইন পৰিৱৰ্তন কৰিলে প্ৰকৃততে কিবা পৰিৱৰ্তন হয়নে?*

- আমাৰ নিৰ্বাচন পদ্ধতি FPTP ৰ পৰা আনুপাতিক প্ৰতিনিধিত্বৰ কোনো ভিন্ন ৰূপলৈ সলনি কৰা উচিত, ই দলবোৰে পোৱা ভোটৰ যথা সম্ভৱ আনুপাতিকভাৱে আসন লাভ কৰাত সহায় কৰিব।
- সংসদ আৰু বিধানসভালৈ অন্ততঃ এক তৃতীয়াংশ মহিলা প্ৰতিনিধি নিৰ্বাচিত হোৱাটো সুনিশ্চিত কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে

DAILY ASSAM



- নিৰ্বাচনী ৰাজনীতিত ধনৰ ভূমিকা নিয়ন্ত্ৰণ কৰিবলৈ কঠোৰ ব্যৱস্থা থকা উচিত। চৰকাৰে এক বিশেষ পুঁজিৰ পৰা নিৰ্বাচনী ব্যয়ৰ বাবে ধন আদায় দিব লাগে।
- অপৰাধী গোচৰ থকা প্ৰাৰ্থীক নিৰ্বাচনত অংশ গ্ৰহণ কৰিব দিব নালাগে। তেওঁলোকৰ আবেদন আদালতৰ বিচাৰাধীন হৈ থাকিলেও এইটো প্ৰযোজ্য হোৱা উচিত।
- জাতি আৰু ধৰ্মক লৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাত সম্পূৰ্ণৰূপে বাধা থাকিব লাগে।
- ৰাজনৈতিক দলবিলাকৰ কাম-কাজ নিয়ন্ত্ৰণৰ বাবে আৰু তেওঁলোকে যাতে স্বচ্ছ আৰু গণতান্ত্ৰিক পদ্ধতিত কাম কৰাটো সুনিশ্চিত কৰিবলৈ আইন থাকিব লাগে।

**ব্যঙ্গ চিত্ৰখন পঢ়া**



*Forget that old habit and face the camera! Remember you have been nominated and are standing for the election now!*

**গুৰুতৰ অপৰাধত অপৰাধী এজন ব্যক্তিক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বিৰত ৰখা উচিত হ'বনে?**

এইবোৰ কেইটামান পৰামৰ্শ মাথোন। এই বিষয়ে সৰ্বসন্মত সিদ্ধান্ত পোৱা নাযায়। সৰ্ব সন্মত সিদ্ধান্ত থকা হ'লেও আইন আৰু বিধিসন্মত ব্যৱস্থাৰ কাৰ্যকাৰিতাৰ সীমাবদ্ধতা আছে। প্ৰাৰ্থী, দল আৰু নিৰ্বাচনত জড়িত সকলে গণতান্ত্ৰিক প্ৰতিযোগিতাৰ মনোভাৱেৰে কাম কৰিলেহে মুক্ত আৰু নিকা নিৰ্বাচন সম্ভৱ।

আইনগত সংস্কাৰৰ বাহিৰেও নিৰ্বাচনে জনসাধাৰণৰ আশা-আকাংক্ষা আৰু গণতান্ত্ৰিক প্ৰত্যাশা যাতে পূৰণ কৰিব পাৰে তাৰ বাবে আন দুটা উপায় আছে। প্ৰথমটো হৈছে জনসাধাৰণ নিজে বেচি সতৰ্ক হ'ব লাগিব আৰু ৰাজনৈতিক কাম কাজত বেচি সক্ৰিয়ভাৱে জড়িত হ'ব লাগিব। কিন্তু সাধাৰণ মানুহে নিয়মীয়া ভাবে ইমান বেছিকৈ ৰাজনীতিত লাগি থাকিব নোৱাৰে। সেইবাবে বিভিন্ন ৰাজনৈতিক অনুষ্ঠান আৰু স্বেচ্ছামূলক সংগঠন গঢ়ি তোলা উচিত, যিবোৰে সক্ৰিয়ভাৱে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সতৰ্ক প্ৰহৰী হিচাবে কাম কৰিব।

## সামৰণি

প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ থকা দেশত গণতন্ত্ৰক সফল আৰু বিশ্বাসযোগ্য কৰি তুলিবলৈ নিৰ্বাচন আৰু ইয়াৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ অতি গুৰুত্বপূৰ্ণ উপাদান। ভাৰতৰ নিৰ্বাচন পদ্ধতিৰ সফলতা বহু কেইটা উপাদানৰ পৰা বিচাৰ কৰিব পাৰি।

◈ আমাৰ নিৰ্বাচন পদ্ধতিয়ে ভোটদাতাসকলক মুক্তভাৱে প্ৰতিনিধি নিৰ্বাচন কৰিবলৈ সুবিধা দিয়াই নহয় ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত শান্তিপূৰ্ণভাৱে চৰকাৰ পৰিৱৰ্তন কৰিবলৈও সুবিধা দিয়ে।

◈ দ্বিতীয়তে, ভোটদাতাসকলে নিৰ্বাচনী প্ৰক্ৰিয়াত তীব্ৰ আগ্ৰহ দেখুৱাইছে আৰু অংশগ্ৰহণ কৰি আহিছে।

নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী আৰু দলৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে।

◈ তৃতীয়তে নিৰ্বাচন পদ্ধতিয়ে প্ৰমাণ কৰি দেখুৱাইছে যে ই সকলোকে সামৰি লোৱা এক উপযুক্ত পদ্ধতি। লাহে লাহে আমাৰ প্ৰতিনিধিসকলৰ সামাজিক গাঠনিও সলনি হৈছে। বৰ্তমান আমাৰ প্ৰতিনিধি সকল বিভিন্ন সামাজিক পটভূমিৰ পৰা আহে। অৱশ্যে মহিলা বিধায়কৰ সংখ্যা সন্তোষজনকভাৱে বৃদ্ধি পোৱা নাই।

◈ চতুৰ্থতে, দেশৰ বেচিভাগ অংশতে নিৰ্বাচনী ফলাফল সমূহে নিৰ্বাচনী অনাচাৰ malpractices আৰু rigging প্ৰতিফলন নকৰে। অৱশ্যে rigging ৰ বাবে বহুত প্ৰচেষ্টা চলোৱা হয়। তোমালোকে নিশ্চয় হিংসাত্মক ঘটনা, ভোটাৰ তালিকাত নথকাৰ নাম অভিযোগ, ভাবুকি প্ৰদৰ্শন ইত্যাদিৰ বিষয়ে পঢ়িছা। তথাপি এনেকুৱা ঘটনাবোৰে নিৰ্বাচনৰ ফলাফলত কাচিৎহে প্ৰত্যক্ষ প্ৰভাৱ পেলায়।

◈ শেষত আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ কথা এই যে নিৰ্বাচন আমাৰ গণতান্ত্ৰিক জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। নিৰ্বাচনৰ ফলাফলক অসন্মান জনাব পৰা কোনো চৰকাৰৰ

DAILY ASSAM



কথা কোনেও কল্পনা কৰিব নোৱাৰে। সেইদৰে নিৰ্বাচন নোহোৱাকৈ কোনো চৰকাৰ গঠন হ'ব পাৰে বুলিও কোনেও কল্পনা কৰিব নোৱাৰে। মুঠতে, নিয়মীয়া আৰু নিৰ্দিষ্ট সময়ৰ মূৰত হোৱা নিৰ্বাচনে ভাৰতক এখন ডাঙৰ গণতান্ত্ৰিক দেশৰ ৰূপত প্ৰতিষ্ঠা কৰিছে।

এই সকলোবোৰ কথাই দেশৰ ভিতৰে বাহিৰে আমাৰ নিৰ্বাচন পদ্ধতিলৈ সন্মান কঢ়িয়াই আনিছে। ভাৰতীয় ভোটদাতাই আত্মবিশ্বাস লাভ কৰিছে। নিৰ্বাচন আয়োগৰ বৈধতা জনসাধাধাৰণৰ চকুত বৃদ্ধি পাইছে। ই আমাৰ সংবিধান প্ৰণেতা সকলৰ মূল সিদ্ধান্ত প্ৰমাণিত কৰিছে। যদিহে নিৰ্বাচন পদ্ধতি আৰু বেছি দোষমুক্ত হয় এই গণতন্ত্ৰৰ যুগত আমি ভোটাৰ আৰু নাগৰিকসকলে তাৰ সুফল বেছি ভালকৈ ভোগ কৰিব পাৰিম আৰু ইয়াক আৰু অধিক অৰ্থপূৰ্ণ কৰি তুলিব পাৰিম।

## অনুশীলনী

1. তলৰ কোনটো প্ৰত্যক্ষ গণতন্ত্ৰৰ লগত বেছি খাপ খায়?
   (ক) পাৰিবাৰিক সভাৰ আলোচনা
   (খ) শ্ৰেণী প্ৰতিনিধিৰ নিৰ্বাচন
   (গ) ৰাজনৈতিক দলৰ দ্বাৰা প্ৰাৰ্থী নিৰ্বাচন
   (ঘ) গাওঁ সভাৰ সিদ্ধান্তসমূহ
   (ঙ) প্ৰচাৰ মাধ্যমে অনুষ্ঠিত কৰা নিৰ্বাচনী মতামত

2. তলৰ কোনবোৰ কাৰ্য নিৰ্বাচন আয়োগে সম্পাদন নকৰে?
   (ক) ভোটাৰ তালিকা প্ৰস্তুত।
   (খ) প্ৰাৰ্থী মনোনয়ন
   (গ) নিৰ্বাচনৰ বুথ স্থাপন
   (ঘ) আদৰ্শ আচৰণ বিধি ৰূপায়ণ
   (ঙ) পঞ্চায়ত নিৰ্বাচন পৰিচালনা

DAILY ASSAM



3. ৰাজ্যসভা আৰু লোকসভাৰ সদস্য নিৰ্বাচনৰ বাবে কোনটো নিৰ্বাচন পদ্ধতি উমৈহতীয়া?
   (ক) ১৮ বছৰৰ ওপৰৰ প্ৰতিজন নাগৰিকেই ভোটাৰ হোৱাৰ উপযুক্ত।
   (খ) ভোটদাতাসকলে বিভিন্ন প্ৰাৰ্থীৰ বাবে পছন্দৰ ক্ৰম দিব পাৰে।
   (গ) প্ৰতিটো ভোটৰ মূল্য সমান
   (ঘ) জয়লাভ কৰোতা জনে আধাতকৈ বেছি ভোট পাব লাগিব।
4. সৰ্বাধিক FPTP পদ্ধতিত সেইজন প্ৰাৰ্থীক বিজেতা ঘোষণা কৰা হয়
   (ক) যি ডাকযোগে প্ৰেৰিত ভোট লাভ কৰে।
   (খ) দেশৰ সৰ্বাধিক ভোট লাভ কৰা দলটোৰ সদস্য
   (গ) সমষ্টিটোৰ অন্যান্য প্ৰাৰ্থীতকৈ বেছি ভোট আছে/পাইছে।
   (ঘ) ৫০ শতাংশতকৈ অধিক ভোট লাভ কৰি প্ৰথম স্থান পায়।
5. সমষ্টি সংৰক্ষণ পদ্ধতি আৰু 'সুকীয়া নিৰ্বাচক বৰ্গ' পদ্ধতিৰ মাজত পাৰ্থক্য কি? সংবিধান প্ৰণেতা সকলে কিয় পাছৰটো নাকচ কৰিছিল?
6. তলৰ কোনবিলাক উক্তি অশুদ্ধ? সেইবোৰ চিনাক্ত কৰি মাথোন এটা শব্দ বা খণ্ডবাক্যৰ সহায়ত বিকল্প, অতিৰিক্ত বা পুনৰ গঠনৰ দ্বাৰা সেইবোৰ শুধৰোৱা।
   a) ভাৰতৰ সকলো নিৰ্বাচনৰ কাৰণে FPTP পদ্ধতি অনুসৰণ কৰা হয়
   b) নিৰ্বাচন আয়োগে পঞ্চায়ত আৰু পৌৰ নিৰ্বাচন পৰিচালনা (Supervise) নকৰে,
   c) ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন আয়ুক্তক অপসাৰণ কৰিব নোৱাৰে।
   d) নিৰ্বাচন আয়োগত এজনতকৈ বেছি নিৰ্বাচনী আয়ুক্ত নিয়োগ কৰাটো বাধ্যতামূলক।
7. ভাৰতীয় নিৰ্বাচন পদ্ধতিয়ে সামাজিকভাৱে পিছপৰা শ্ৰেণী বিলাকৰ বাবে প্ৰতিনিধিত্বৰ লক্ষ্য ৰাখিছে। কিন্তু আমাৰ বিধানসভা সমূহত মহিলা সদস্যৰ সংখ্যা ১০ শতাংশ হ'বলৈকো এতিয়াও বাকী। এই পৰিস্থিতি পৰিৱৰ্ত্তনৰ বাবে তুমি কি ব্যৱস্থা লবলৈ ক'বা?

DAILY ASSAM



8. এখন নতুন দেশৰ সংবিধানৰ বিষয়ে আলোচনা কৰা কাৰণে তলত এখন অধিৱেশনত প্ৰকাশ কৰা কিছুমান ইচ্ছাৰ (Wishes) কথা কোৱা হ'ল। ইয়াৰ প্ৰতিটোৰ বিপৰীতে FPTP বা আনুপাতিক প্ৰতিনিধিত্বৰ কোনটো পদ্ধতি ইচ্ছাবোৰ পূৰণ কৰিবলৈ বেছি উপযুক্ত হ'ব লিখা।

a. জনসাধাৰণে তেওঁলোকৰ প্ৰতিনিধি কোন সেইটো ভালদৰে জানিব লাগিব যাতে তেওঁলোকে তেওঁক ব্যক্তিগতভাৱে দায়বদ্ধ কৰিব পাৰে।

b. আমাৰ দেশৰ চাৰিওফালে সৰু সৰু ভাষিক সংখ্যালঘূসকল সিঁচৰিত হৈ আছে, আমি তেওঁলোকৰ উপযুক্ত প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিব লাগে।

c. বেলেগ বেলেগ দলৰ বাবে ভোট আৰু আসনৰ মাজত কোনো বৈষম্য থকা উচিত নহয়।

d. জনসাধাৰণে ৰাজনৈতিক দল এটা ভাল নাপালেও সেই দলৰ উপযুক্ত প্ৰাৰ্থীক নিৰ্বাচন কৰিব পৰা উচিত।

9. এজন ভূতপূৰ্ব মুখ্য নিৰ্বাচনী আয়ুক্তই এটা ৰাজনৈতিক দলত যোগদান কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। এই বিষয়ত বিভিন্ন মতামত প্ৰকাশ কৰা হৈছে। এটা দৃষ্টিভংগী মতে, এজন ভূতপূৰ্ব নিৰ্বাচনী আয়ুক্ত এজন স্বাধীন নাগৰিক আৰু সেইবাবে যিকোনো ৰাজনৈতিক দলত যোগদান কৰা আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ তেওঁৰ অধিকাৰ আছে। আন এটা দৃষ্টিভংগী মতে, এই সম্ভাৱনাই নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাত প্ৰভাৱ পেলাব পাৰে। গতিকে ভূতপূৰ্ব নিৰ্বাচন আয়ুক্তসকলক কোনো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দিয়া উচিত নহয়। তুমি কোনটোৰ লগত সহমত প্ৰকাশ কৰা আৰু কিয়?

10. 'ভাৰতীয় গণতন্ত্ৰ এতিয়া অপৰিপক্ক First past the post system ৰ পৰা আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতিলৈ পৰিৱৰ্তন কৰিবলৈ সাজু।' এই উক্তিৰ লগত তুমি একমত নে? এই উক্তিৰ সপক্ষে বা বিপক্ষে যুক্তি দৰ্শোৱা।